# সূচীপত্ৰ

## (অসমীয়া শাখা)


| বিষয় | পৃষ্ঠা | লেখক/ লেখিকা |
|---|---|---|
| সম্পাদকীয় | | |
| **কবিতা ঃ** | | |
| এটি নতুন প্ৰভাতৰ আকাঙ্খ্যাত | ১ | মিছ্ দীপশিখা দাস |
| বেশ্যা আৰু অৰ্থহীন সংজ্ঞা | ২ | শ্ৰীলোকপ্ৰিয় দাস |
| এতিয়া সময় বৰ দুঃসময় | ৩ | শ্ৰীদেৱজিৎ বৰা |
| এখন নতুন নাটকৰ প্লট | ৩ | শ্ৰীউপেন কুমাৰ দাস |
| গণতন্ত্ৰ | ৪ | শ্ৰীধীৰাজ পাটোৱাৰী |
| এতিয়া ইয়াত | ৪ | শ্ৰীআনন্দ ৰাণা |
| দুঃ সময় | ৫ | মিছ সুচিত্ৰা ৰাভা |
| সাম্প্ৰতিক | ৬ | শ্ৰীবশিষ্ঠ দেৱ শৰ্মা |
| অপৰাজেয় | ৬ | মিছ পোপী আহমেদ |
| বিমূৰ্ত্ত তোমাৰ ছবি | ৭ | শ্ৰীবসন্ত কুমাৰ দত্ত |
| **গল্প ঃ** | | |
| প্ৰতীক্ষা | ৮ | মিছ নিতুমণি মহন্ত |
| জীৱন | ১০ | মিছ বৰ্ণালী দাস |
| আৰম্ভণি | ১৩ | শ্ৰীসুশীল পাটোৱাৰী |
| শিহৰণ | ১৫ | মিছ বৰ্ণালী দাস |
| **প্ৰবন্ধ ঃ** | | |
| বিপ্লৱী বিষ্ণু ৰাভা ঃ এটি সম্যক আভাস | ১৭ | মিছ চন্দ্ৰামিতা ঠাকুৰীয়া |
| সপোন ঃ এক মনোবৈজ্ঞানিক বিশ্লেষণ | ১৯ | বিজয়া ডেকা |
| বিভাগীয় সম্পাদক/সম্পাদিকাৰ প্ৰতিবেদন | ২২ | |
| ১৯৯৭-৯৮ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ | ৩৫ | |

# আমাৰ নতুন অধ্যক্ষ




ড° ৰমাকান্ত বৰুৱা, এম. এ., পি. এইচ. ডি.

এই বছৰত (১৯৯৮) আমাৰ মহাবিদ্যালয়ৰ পৰা
তিনিগৰাকী জ্যেষ্ঠ অধ্যাপকে অৱসৰ গ্ৰহণ কৰে।
তেখেতসকল হ'ল (সোঁফালৰ পৰা) যথাক্ৰমে
মাননীয় **শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱ**,
মাননীয় **শ্ৰীযুত মদন চন্দ্ৰ কাকতিদেৱ** আৰু
মাননীয় **শ্ৰীযুত ধৰ্মকান্ত বৰুৱাদেৱ**। তেখেত সকলৰ
অৱসৰৰ জীৱন সুখময় হওঁক-- এই কামনা কৰি আমি
তেখেতসকললৈ অন্তৰভৰা
শ্ৰদ্ধাঞ্জলি যাচিছোঁ।



# আলোক চিত্ৰ





বিদায় সম্ভাষণ জনোৱা মুহূৰ্তৰ এটি ৰেঙনি




নৱাগত আদৰণি সভাত অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ লগত মুখ্য অতিথি এই মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ আৰু নিৰ্দিষ্ট বক্তা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাননীয় শ্ৰীযুত সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যদেৱ।

# সম্পাদনা সমিতি

## "জৱাহৰ জ্যোতি" ১৯৯৭-৯৮ চন



থিয় হৈ *(বাওঁফালৰ পৰা)* : শ্ৰীবশিষ্ঠ দেৱ শৰ্মা (সাঃ সঃ ছাত্ৰ সদস্য), শ্ৰীবিভূতি কলিতা (ছাঃ সঃ), শ্ৰীমিন্টু কুমাৰ ৰয় (ছাঃ সঃ) শ্ৰীমনোজ কলিতা (আলোচনী সম্পাদক), শ্ৰীবিপুল কলিতা (সহঃ আলোচনী সম্পাদক), শ্ৰীনলিনী কলিতা (সহঃ সাঃ সঃ), শ্ৰীপ্ৰশান্ত কলিতা (ছাঃ সঃ), ছবিত অনুপস্থিত।

বহি *(বাওঁফালৰ পৰা)* : অধ্যাপক দিলীপ দাস, অধ্যাপক দ্বিজেন দাস, অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা (সভাপতি), অধ্যাপক মৃগেন শৰ্মা, অধ্যাপক লক্ষীকান্ত শৰ্মা (তত্ত্বাৱধায়ক), উপাধ্যক্ষ দেৱেন্দ্ৰ নাথ শৰ্মা (উপ সভাপতি), ছবিত অনুপস্থিত আৰু অধ্যাপক যতীন মেধি (অনুপস্থিত)।

স
ম্পা
দ
কী
য়

## ৰাজ্যখনলৈ পুনৰ শান্তি ঘূৰি আহক! এয়ে আমাৰ কাম্য

আমাৰ ৰাজ্যখন বৰ্তমান এক ভয়াৱহ পৰিস্থিতিৰ মাজত। যি অসম এদিন সুজলা-সুফলা, শান্ত-সৌম্য ৰূপে পৰিচিত আছিল সেই অসম আজি অগ্নিগৰ্ভা। বিদেশী শক্তিৰ কুটাঘাতমূলক কাৰ্যকলাপ, হিংসা-বিদ্বেষ, হত্যা-লুণ্ঠন-অপহৰণ, সঘন বন্ধ ঘোষণা, বিচ্ছিন্নতাবাদী তথা সুকীয়া ৰাজ্যৰ দাবীৰ কাৰণে হোৱা আন্দোলনকে ধৰি নানান সমস্যাই নাগপাশে মেৰিওৱাৰ দৰে ৰাজ্যখনক মেৰিয়াই ধৰিছে। নাগপাশৰ এই চেঁপাত সৰ্বসাধাৰণ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও ত্ৰাহি মধুসূদন দেখিছে। এনে এক অশান্তিকৰ পৰিস্থিতিত ৰাজ্যখনৰ উন্নয়নৰ প্ৰক্ৰিয়া বাধাগ্ৰস্ত হোৱাই নহয়- শৈক্ষিক পৰিৱেশো বিনষ্ট হৈছে। বিশেষকৈ সঘন বন্ধ পালনৰ ফলত গ্ৰামাঞ্চলৰ স্কুল-কলেজসমূহৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰভূত ক্ষতি সাধন হৈ আহিছে।

ৰাজ্যখনত চলি থকা এই অশান্তিকৰ পৰিস্থিতিৰ নিৰাময়ৰ কাৰণে আমি উপায় চিন্তা কৰাৰ সময় হ'ল। আমি মানে ৰাইজ আৰু চৰকাৰৰ। সমস্যাবোৰৰ গুৰুত্ব আৰু ব্যাপকতা উপলব্ধি কৰি আৰু বেছি পলম নকৰি এইবোৰৰ নিৰাময়ৰ কাৰণে সকলো পক্ষ আগবাঢ়ি আহিব লাগে। সকলো পক্ষৰ সহায়-সহযোগিতা, উপযুক্ত চিন্তা-চৰ্চা, অবিৰত চেষ্টা, আন্তৰিকতা আৰু সদিচ্ছাৰে আগবাঢ়ি আহিলে সমস্যাৰ সমাধান নিশ্চয় ওলাব। কিন্তু বৰ্তমান দেখা গৈছে যে সমস্যাসমূহৰ বিষয়ে আলোচনা হলেই আনৰ ওপৰত দোষ জাপি দি হাত সাৰিবলৈ বিচাৰে। সমস্যাৰ গভীৰতা তথা সমস্যা সৃষ্টিৰ কাৰণ বিশ্লেষণ আৰু সমস্যাৰ উপশমৰ কাৰণে গভীৰ চিন্তা-চৰ্চা কৰা পৰিলক্ষিত নহয়। সেয়ে সমস্যাবোৰ সমস্যা হৈয়েই থাকে আৰু বৰং তাৰ পৰা আনুষঙ্গিক অন্যান্য সমস্যাৰহে উদ্ভৱ হোৱা দেখা যায়।

উদাহৰণ স্বৰূপে উগ্ৰপন্থী সমস্যাৰ বাবে যুৱক সম্প্ৰদায়ৰ এচামকে দোষাৰোপ কৰা হয়। কিন্তু এই কথাটো চিন্তা কৰা নহয় যে যুৱকসকলে হাতত অস্ত্ৰ তুলি লোৱাৰ পৰিস্থিতি বা পৰিৱেশটো ক'ত আৰু কেনেকৈ পালে। সেইদৰে আজি ৰাজ্যৰ পৰিস্থিতি উত্তাল কৰা সুকীয়া ৰাজ্যৰ দাবীৰ প্ৰশ্নটোৰ কথা ক'ব পাৰি। বৰ্তমান প্ৰতিটো গোষ্ঠী-জনগোষ্ঠীয়ে সুকীয়া সুকীয়া ৰাজ্যৰ দাবীত মুখৰ। কিন্তু সংশ্লিষ্টসকলৰ কোনখিনি ভুলৰ বাবে সুকীয়া ৰাজ্যৰ দাবীৰ প্ৰৱণতা জাগিল সেইটো বিচাৰ কৰা নহয় বা তাৰ শুধৰণি কৰাৰ যত্ন কৰা নহয়। ফলত সমস্যাবোৰ জটিলতৰ হৈ গৈ আছে আৰু অগ্নিগৰ্ভা পৰিস্থিতিৰ সৃষ্টি হৈছে।

এতিয়া কিন্তু ৰাইজ আৰু চৰকাৰৰ প্ৰধান কৰ্তব্য হ'ল এই অগ্নিগৰ্ভা পৰিস্থিতিৰ উপশম ঘটোৱা। আমি আশা ৰাখিছোঁ সমস্যাবোৰ সমাধান কৰাৰ কাৰণে ৰাইজ আৰু চৰকাৰ তৎপৰ হৈ উঠক। সমস্যা সমাধানৰ কাৰণে বাস্তৱ পদক্ষেপ গ্ৰহণ কৰক! কিয়নো আমি সৰ্বসাধাৰণ ৰাইজ— আমাক শান্তি লাগে ... শান্তি।

## শিক্ষানুষ্ঠানসমূহৰ শৈক্ষিক পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ

সুস্থ পৰিৱেশতহে মানুহে সুস্থ চিন্তা কৰিব পাৰে। পৰিৱেশটো গোলমলীয়া হলে চিন্তা-ভাবনাও গোলমলীয়া হোৱাৰ ভয় থাকে। বৰ্তমান সেয়ে হৈছে। বৰ্তমানৰ যি পৰিৱেশ সেই পৰিৱেশত মানুহে উচ্চ চিন্তা কৰাৰ কথা ভাবিবই নোৱাৰে। বৰ্তমান শিক্ষানুষ্ঠানসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে বেছিভাগ শিক্ষানুষ্ঠানতে শৈক্ষিক

পৰিৱেশ এটাৰ অভাৱ। সাধাৰণতে শিক্ষানুষ্ঠান এখনৰ শৈক্ষিক পৰিৱেশটো গঢ়ি উঠে অনুষ্ঠানখনৰ মুৰব্বীগৰাকী, শিক্ষক-শিক্ষয়িত্ৰীসকল, ছাত্ৰ-ছাত্ৰীসকল, পাঠদান কৰা ভৱন, অভিভাৱকসকল আৰু অনুষ্ঠানটো অৱস্থিত অঞ্চলটোৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বাতাবৰণৰ ওপৰত ভিত্তি কৰি। কিন্তু কিমানকেইখন অনুষ্ঠানত এনে এটা শৈক্ষিক পৰিৱেশ আছে, যিটোৰ অভাৱৰ কাৰণে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল বেপৰোৱা হ'বলৈ বাধ্য হৈছে। শিক্ষানুষ্ঠানৰ শৈক্ষিক বাতাবৰণ সম্পৰ্কত লিখিবলৈ বা ক'বলৈ বহুতো কথাই আছে। কিন্তু আমি ইয়াত সামান্য এটা বা দুটা কথাহে উল্লেখ কৰিব খুজিছোঁ। বৰ্তমান দেখা গৈছে যে শিক্ষানুষ্ঠানসমূহৰ বেছিভাগতে স্থায়ী অধ্যক্ষ বা প্ৰধান শিক্ষক নাথাকে। ভাৰপ্ৰাপ্ত এজোজনৰ দ্বাৰাই শিক্ষানুষ্ঠানসমূহ চলাই থকা হয়। এই ব্যৱস্থাটো শিক্ষানুষ্ঠানৰ সামগ্ৰিক বিকাশৰ কাৰণে ক্ষতিকাৰক। বিদ্যালয় এখনত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিবলৈ প্ৰয়োজনীয়সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰয়োজন। কিন্তু বেছি ভাগ শিক্ষানুষ্ঠানতে (গুৱাহাটী মহানগৰক বাদ দি) শিক্ষকৰ অভাৱ। অতি পৰিতাপৰ কথা যে চৰকাৰে নতুন পদ সৃষ্টি কৰি নতুনকৈ শিক্ষক নিযুক্তি দিয়াতো দূৰৈৰ কথা অৱসৰ গ্ৰহণৰ কাৰণে খালী হোৱা পদবোৰো বছৰ বছৰ ধৰি পূৰণ নোহোৱাকৈয়ে পৰি আছে । ফলত পাঠদান কাৰ্যত কিমান ক্ষতিসাধন হৈছে সেইটো একমাত্ৰ ভুক্তভোগীয়েহে জানে। সেয়ে অৱসৰ গ্ৰহণ বা অন্যান্য কাৰণত খালী হোৱা পদসমূহ অনতিপলমে পূৰণ কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাটো অতি জৰুৰী। আজিকালি মহাবিদ্যালয়সমূহত 'নন-ছেংচন' পদত বহুসংখ্যক শিক্ষকে শিক্ষকতা কৰি আছে । সেই পদসমূহত মঞ্জুৰি দিবৰ কাৰণেও চৰকাৰে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তদুপৰি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অদৃশ্য হাতৰ অবাঞ্ছনীয় হস্তক্ষেপ ততালিকে বন্ধ কৰিব লাগে। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত উপযুক্ত শিক্ষক বাছি সেইসকলকহে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। দেশৰ বা জাতিৰ ভৱিষ্যৎ গঢ়োঁতাসকল ঠিক হলেহে তেওঁলোকে গঢ় দিয়াসকল ঠিক হ'ব। দেশৰ ভৱিষ্যৎ প্ৰজন্মক সঠিক পথৰ সন্ধান দিবলৈ হলে শিক্ষানুষ্ঠানসমূহক দুৰ্নীতি মুক্ত কৰি গঢ়ি তুলিব লাগিব আৰু তেনে এটা পৰিৱেশৰ পৰাহে সৎ, সুশৃঙ্খল আৰু নিয়মানুৱৰ্তী জাতি এটা গঢ়ি উঠিব পাৰিব।

## ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এটা "কিতাপ পঢ়াৰ আন্দোলন"ৰ প্ৰয়োজন

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিতাপ পঢ়াৰ অভ্যাস প্ৰায় নোহোৱাৰ দৰে হৈছে। কিতাপ পঢ়াতকৈ টি. ভি. ৰ মন ৰঙীন কৰা প্ৰগ্ৰেম চোৱা, চিনেমা চোৱা, বিভিন্ন খেল উপভোগ কৰা আদিত হে বেছি মনোনিবেশ কৰা দেখা যায়। যিসকলে এনেবোৰ প্ৰগ্ৰেম উপভোগ নকৰে সেইসকলে হয়তো আন কিবাত ব্যস্ত আছে । মুঠতে এক অলস জীৱন অতিবাহিত কৰি আছে । তেওঁলোকে কৰ্মসংস্কৃতিৰ প্ৰতি ইতিমধ্যে পিঠি দিয়া পৰিলক্ষিত হৈছে । কিন্তু কৰ্ম-সংস্কৃতিৰ অবিহনে এটা জাতি কেতিয়াও জীয়াই থাকিব নোৱাৰে। বৰ্তমান আমাৰ ৰাজ্যখনৰ আৰ্থ-সামাজিক বাতাবৰণত যি এক স্খলন হৈছে তাৰ মূলতে হ'ল অলস জীৱন যাপন আৰু কৰ্মসংস্কৃতিৰ প্ৰতি অনীহা। এই অনীহাৰ কাৰণে সামাজিক প্ৰমূল্যবোধৰ অপমৃত্যু ঘটিছে আৰু অন্ধকাৰৰ ক'লীয়া ডাৱৰে আমাক আগুৰি ধৰিছে ।

অজ্ঞানতা তথা অন্ধকাৰ নাশি মানুহক সংস্কৃতিৱান কৰি তুলিব পাৰে একমাত্ৰ অধ্যয়নেহে । বেদ-উপনিষদৰ যুগৰ পৰা বৰ্তমানলৈকে মহা-মনীষাসকলে অৰ্জন কৰা জ্ঞানৰ ভাণ্ডাৰ কিতাপৰ পাততে এৰি গৈছে। গতিকে বিচিত্ৰ জ্ঞানৰ ভাণ্ডাৰ আহৰণ কৰি মানসিক উৎকৰ্ষ সাধন কৰিবলৈ হলে কিতাপ অধ্যয়ন কৰিবই লাগিব। মানুহৰ যি চিন্তাৰ দীনতা আছে সেই দীনতা দূৰ কৰিবৰ কাৰণেও অধ্যয়নৰ অতীব প্ৰয়োজন। দুনিয়াখনক চাবলৈ বা দুনিয়াখন উপলব্ধি কৰিবলৈকো অধ্যয়ন লাগিব। কিতাপ পঢ়ি এক অনাবিল আনন্দও উপলব্ধি কৰা হয়। মানুহক সুৰুচিসম্পন্ন কৰি তুলিব পাৰে একমাত্ৰ কিতাপেহে। কিতাপ পঢ়াৰ সুফল বৰ্ণনা কৰি বোধহয় শেষ কৰিব নোৱাৰি। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে এটা কিতাপ পঢ়াৰ সংস্কৃতি গঢ়ি তুলিব লাগে। পাঠ্যপুথিবোৰ খৰচি মাৰি পঢ়াৰ উপৰি অন্যান্য কিতাপসমূহো নিয়মিতভাৱে পঢ়িব লাগে। কিতাপ পঢ়াৰ সুবিধা লাভৰ কাৰণে প্ৰতি গাঁৱে গাঁৱে একোটা পুথিভঁৰাল গঢ়ি তুলিব লাগে। বিহু-পূজা আদিত বৰঙণি উঠোৱাৰ দৰে গাঁৱত পুথিভঁৰাল স্থাপনৰ কাৰণে বৰঙণি উঠালে হয়তো বৰঙণি দিয়াত কোনেও কাৰ্পণ্য নকৰিব। এই কামখিনি ছাত্ৰ-ছাত্ৰীয়েহে কৰিব পাৰিব। মুঠতে আজিৰ প্ৰতিযোগিতামূলক যুগত উত্তীৰ্ণ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক একমাত্ৰ অধ্যয়নেহে শক্তি প্ৰদান কৰিব। গতিকে ছাত্ৰ-ছাত্ৰীসকলে কিতাপ পঢ়াৰ অভ্যাস এটি গঢ়ি তোলক আৰু অধ্যয়নত মনোযোগী হওক। ●●

কবিতা

# এটি নতুন প্ৰভাতৰ আকাঙ্খ্যাত

মিছ দীপশিখা দাস
*স্নাতক, ২য় বৰ্ষ (বিজ্ঞান শাখা)*

অসুন্দৰৰ কলুষিত হাতৰ ইচাৰাত
সোণালী সূতাৰ এনাজৰীডাল আজি ছিঙি গ'ল
চূৰ্ণাকৃত কাঁচঘৰৰ বিক্ষিপ্ত টুকুৰাৰ দৰে থানবান হৈ গ'ল
নানা জাতি উপজাতিয়ে গঢ়া সমন্বয়ৰ যুগমীয়া সৌধ।
চিনাকি মুখবোৰ আজি ঢাকি পেলালে
অচিনাকি মুখাই
সেইবোৰ মুখাত
কুশল-বতৰা লোৱাৰ ইঙ্গিত নাই
আছে বিভেদ আৰু জিঘাংসাৰ নগ্ন প্ৰকাশ
অহৰ্নিশে মাথোঁ একেটাই চিন্তা
মুখাৰ সলনি ক'ত পাওঁ মুখ
য'ত বিৰাজে তাহানিৰ এক সহজ প্ৰাণৰ
এক সৰল হাঁহি যাৰ সহজ অৰ্থ-
তোমাৰ বাবে মই মোৰ বাবে তুমি।
হে সুন্দৰৰ পূজাৰী।
তোমাৰ হাততে আছে সেই যাদুকাঠী
যাৰ পৰশত তুমিয়ে পাৰিবা
মুখাবোৰ আঁতৰাই মুখবোৰত বিৰিঙাব
তাহানিৰ সেই সহজ হাঁহি।
হে সুন্দৰৰ পূজাৰী।
বজোৱা সেয়ে তোমাৰ মোহন বাঁহী
সেই মোহন বাঁহীৰ সুৰে
হৃদয়ে হৃদয়ে ফুলাওক একো একোটি ফুলৰ কলি .....

**

# বেশ্যা আৰু অৰ্থহীন সংজ্ঞা

**শ্ৰীলোকপ্ৰিয় দাস**
*স্নাতক, ২য় বৰ্ষ (কলা শাখা)*

পেটৰ দুৰন্ত তাড়নাত সভ্যতাই
হেৰুৱায় তাৰ পোছাকী সাজ
নগ্নতাই হাত-বাউলি দিয়ে
সিহঁতবোৰে আদৰি লয় অমোঘ বাস্তৱতাক।
সমাজৰ পৰিত্যক্তা একো একোপাহ পদুম সিহঁত
নিতৌ খেলে কদৰ্য বাস্তৱৰ স'তে
নিতৌ হাঁহে পাশৱিকতাৰ স'তে
কুখ্যাত গলিৰ অখ্যাত চুকত
অহৰহ নিৰীহ চিকাৰ সিহঁত কাৰোবাৰ অশ্লীল কামনাৰ।
জীয়াই থকাৰ কিযে মোহ!
দুখনমান কাগজৰ নোটৰ কি যে যাদু!
... সেই যাদুৱে সিহঁতক পৰিণত কৰে একো একোটি ছাবি দিয়া পুতলাত
নিৰ্বিবাদে সিহঁতে উজাৰি দিয়ে বুকুৰ উম, হৃদয়ৰ স্পন্দন
আৰু প্ৰাণতকৈও শ্ৰেয় নাৰীত্বক ..........।
জীৱনৰ মায়াত অৱশ্যে সিহঁতো অৱৰুদ্ধ।
সময়ে সময়ে সিহঁতেও আহ্বান কৰে
একো একোটি নতুন জীৱনক ;
অদূৰৰ সুউচ্চ অট্টালিকাৰ সুশোভিত ড্ৰইংৰুমৰ
মানৱ-প্ৰগতিৰ সৰস আড্ডাক ভেঙুচালি কৰি
সেই নতুন জীৱনবোৰে বিকট স্বৰে চিঞৰি উঠে
আড্ডাৰ অংশীদাৰ সভ্য মানুহবোৰক সোঁৱৰাই দিয়ে —
সিহঁত জাৰজ, সিহঁত একো একোটি সৃষ্টি এইখন সভ্য সমাজৰ!

**

# এতিয়া সময় বৰ দুঃসময়

শ্ৰীদেৱজিৎ বৰা
*উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান শাখা)*

এতিয়া সময় বৰ দুঃসময়
মানুহৰ জীৱনৰ পৰা
ক্ৰমে নিৰ্বাসিত হৈছে প্ৰেম
আৰু শান্তিৰ শৰদ .........
মুমূৰ্ষু বতাহৰ বোকোচাত চৌদিশে দুৰ্গন্ধ উৰে
নিমাওমাও এন্ধাৰৰ বুকুত
উৰি ফুৰে জাক পাতি ভয় .......
অজান আশঙ্কাত বিকলাঙ্গ হয়
মানুহৰ চকু
        হাত আৰু
        কণ্ঠ ..........
নিৰ্বীজ সময়ৰ গৰ্ভত খেপিয়াই ফুৰো
শান্তি
নিৰাপত্তা আৰু
পোহৰৰ উৎস ........

**



# এখন নতুন নাটকৰ প্লট

শ্ৰীউপেন কুমাৰ দাস
*স্নাতক, ১ম বৰ্ষ (কলা শাখা)*

স্বাধীনতাৰ আগৰ পথাৰখন
আজিও নিমাওমাও
তাতে পৰি কাউৰী শগুণে
অহৰহ ভক্ষণ কৰিছে জীয়া দেহৰ মঙহ —
পান কৰিছে তপত ৰক্ত ..........
সেই দেহ, সেই মঙহ, সেই তেজ
তোমাৰ মোৰ দেউতাৰ, ককাৰ, আজোককাৰ.........
চিনাকি, অতি আপোন,
নিঃসহায় দৃষ্টিৰে সমুখত সিবোৰ নিঃশেষ হৈ যায়-
কাউৰী, শগুণ, শ্বাপদৰ লোলুপ বাসনাত ........
পৰি ৰয় তেওঁলোকৰ নিথৰ নিষ্ফল অস্তিত্ব .......
এইখন জীয়া নাটকৰ আখৰা
চলি আছে অসমীৰ বুকুত প্ৰতিনিয়ত
চাই আহিছে তাৰ অভিনয় প্ৰতিজন অসমীয়াই
দিনৰ পিছত দিন, যুগৰ পিছত যুগ ....
আজি প্ৰয়োজন এখন নতুন নাটৰ আখৰাৰ
প্ৰয়োজন তাত তুমি মই সকলোৰে অংশ লোৱাৰ
সেইখন নাটকৰ প্লট হ'ব লুইতৰ গতি সলোৱাৰ
প্ৰয়োজন হ'লে প্লট হ'ব লুইতক উজাই বোওৱা ...

**




# গণতন্ত্ৰ

শ্ৰীধীৰাজ পাটোৱাৰী
*স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)*

মুক্তিকামী জনতাই বুজিছে আজি
জনতাক মানৱীয় প্ৰমূল্য দিব পৰা গণতন্ত্ৰ
প্ৰৱঞ্চকৰ প্ৰতাৰণাত বুৰ গৈ আছে
অতল গভীৰতাত।
জনতাৰ ব্যাকুল আহ্বান
গণতন্ত্ৰৰ মুখাপিন্ধা প্ৰৱঞ্চকে
আজি শুনিও নুশুনে
নুশুনে সিহঁতে সৰ্বহাৰাৰ মৰণ-কাতৰ চিঞৰ;
সিহঁতৰ মুখত কিন্তু অহৰহ ৰামৰাজ্য গঢ়াৰ ভাষণ।
ক্ষমতাৰ অন্যায় খকে যাক সততে অন্ধ কৰি ৰাখে
গণনাৰ বাহিৰত অৰ্থ সঞ্চয় যাৰ প্ৰতিটো দিন
প্ৰতিটো ৰাতিৰ সপোন
মুখাপিন্ধা সিবোৰ গণতন্ত্ৰৰ ধ্বজাধাৰীয়ে
কিদৰে দিব পাৰে সৰ্বহাৰাক
জীয়াই থকাৰ অৱলম্বন?
সকলো হেৰুৱাই হেৰুৱাবলৈ বাকী থকা শৰীৰবোৰ লৈ
জীয়াই থকা মানুহবোৰৰ সংখ্যা যিমানে বাঢ়ি গৈছে
সিমানে গঢ় লৈ উঠিছে
অলক্ষিতে এক অগ্নিগৰ্ভা আগ্নেয়গিৰি
উদ্গীৰণ যিদিনা হ'ব
নিস্তাৰ হয়তো কোনেও নেপাব।

**



# এতিয়া ইয়াত

শ্ৰীআনন্দ ৰাণা
*স্নাতক ২য় বৰ্ষ (কলা)*

এতিয়া ইয়াত জুইকুৰা দপ্দপ্কৈ জ্বলিছে
বিপন্ন জীৱন ইয়াত; নৰ-নাৰী-শিশুৰ
চৌদিশ জুৰি হাহাকাৰ,
প্ৰতিনিয়ত মানৱতাৰ নিৰ্মম নিৰ্লজ্জ কবৰ; আৰ্তনাদ—
ৰক্ত-পিপাসু নৰখাদকৰ হাতে হাতে উদ্যত মাৰণাস্ত্ৰ
লক্ষ্য একেটাই — ৰক্তপান।
ৰক্ষকবোৰো সুদক্ষ ভক্ষক .......
বিবেকবোৰ যেন শুই পৰিছে অনন্ত শয্যাত
সাৰে থকা বিবেকবোৰক শুৱাই থোৱা হৈছে মৃত্যুভয়
কিম্বা মৃত্যুদণ্ডেৰে
সৰব হোৱা কণ্ঠস্বৰক নীৰৱ কৰা হৈছে
বন্দুকৰ নলীৰে;
শান্তিৰ উৰুলি দিয়া কপৌজাক উৰি গৈছে দূৰ দিগন্তলৈ
এতিয়া ইয়াত পিশাচৰ উদাত্ত কিৰিলি
শ্মশানৰ হিম শীতল ত্ৰাস .........

**



# দুঃসময়

**মিছ সুচিত্ৰা ৰাভা**
*স্নাতক ২য় বৰ্ষ (কলা শাখা)*

সময়ৰ কৰাল গ্ৰাসত
আজি ম্ৰিয়মান পৃথিৱী
উন্মুক্ত ইয়াৰ আকাশ-বতাহ প্ৰদূষিত
উদ্বিগ্নতাৰে ভৰা মানুহৰ মন।
চৌদিশে কেৱল
আগ্নেয়াস্ত্ৰৰ গৰ্জন
শৰতৰ নিয়ৰ সিক্ত দূবৰিত
ৰাজপথ, নৈ-ঘাটত, খেতি পথাৰত
কেৱল কেঁচা তেজৰ কৰাল।
চৌদিশে জ্বলিছে আজি
হিংসা-প্ৰতিহিংসাৰ একুৰা জ্বলন্ত জুই
গুলী-বাৰুদৰ বিকট শব্দই
উদং কৰিছে বহু মাতৃৰ বুকু
সৰ্বত্ৰ চলিছে যেন
শোষণ, প্ৰৱঞ্চনা, সন্ত্ৰাস, ধৰ্ষণ-হত্যাৰ
নিৰৱচ্ছিন্ন এক তুমুল প্ৰতিযোগিতা।
সময়ৰ এই নিষ্ঠুৰ আহ্বানত
মোৰ অনাগত ৰঙীন স্বপ্নৰ অপমৃত্যু
আবতৰীয়া সূৰ্য্যাস্তৰ শেঁতা শেষ প্ৰহৰত
মোৰ শান্তিৰ পৃথিৱী স্তম্ভিত কম্পিত
জানোচা এই হেৰাই যায়
অন্ধকাৰ আঁতৰোৱা আলোৰ আকৰ।
জানো, তন্দ্ৰালস বিবেক সূৰ্য্যবোৰ এদিন আকৌ সাৰ পাই উঠিব
পূবত আকৌ উদয় হ'ব অমোঘ সূৰুয
কিন্তু প্ৰতীক্ষাৰ ম্যাদ কিমান
কোনে ক'ব ? কোনে ?

**

# সাম্প্ৰতিক

**শ্ৰীবশিষ্ঠ দেৱ শৰ্মা**
*স্নাতক ২য় বৰ্ষ (কলা শাখা)*

একতা, সমতা আৰু ভ্ৰাতৃত্বৰ মহান মন্ত্ৰত দীক্ষিত
ভাৰতীয় গণতন্ত্ৰ আজি পদস্খলিত।
ৰাজনীতিৰ মঞ্চত আজি সাম্প্ৰদায়িকতাৰ
নিখুঁত নাট্যাভিনয়।
পুঁজিপতিৰ হাতৰ মুঠিত আজি ৰাজনীতি
যাৰ অৱশ্যম্ভাৱী পৰিণতি
কোটি কোটি টকাৰ কেলেঙ্কাৰি
বুদ্ধিজীৱী আজি নিৰ্জীৱ, নিৰ্বীজ
সমস্যা সমাধান সেয়ে আজি দূৰ সুদূৰত।
বাটে-পথে অস্থি-চৰ্মসাৰ ভিখাৰীৰ সমদল
পদপথত সময়ে সময়ে চিনাকি-অচিনাকি মৃতদেহ
চৌদিশে লক্ষ লক্ষ নিবনুৱাৰ বিশৃঙ্খল মিছিল
মাজে মাজে অ'ত ত'ত উৰে ৰঙা নিচান
সময়ে সময়ে শুনা যায় বন্দুক বাৰুদৰ গুৰুম গুৰুম ধ্বনি
ডোঙা বান্ধে ৰাজপথত কেঁচা তেজ .......
আশাবাদী জনতাৰ সমুখত
জননেতাৰ ভুৱা আশা ভুৱা প্ৰতিশ্ৰুতি
মহামানৱৰ ৰামৰাজ্য গঢ়াৰ ;
পেটে পেটে সিহঁতৰ লক্ষ্য কিন্তু পাঁচবছৰীয়া নিৰঙ্কুশ
শাসনৰ গাদী
ছলে-বলে কৌশলে দখল কৰাৰ ।
প্ৰতাৰণাত জনতা আশাহত, নিষ্পেষিত, বিপৰ্যস্ত
সমুখত জীৱনৰ লক্ষ্যহীন গতি
প্ৰতীক্ষা এটাই মাথোঁ
সময় আহিব, সকলো সাৰ পাই উঠিব।

**

# অপৰাজেয়

**মিছ পোপী আহমেদ**
*উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা শাখা)*

বহু হেপাহেৰে উটুৱাই দিয়া
সুন্দৰৰ স্বপ্নভৰা তৰীখনি মোৰ
কাল ধুমুহাৰ উপৰ্যুপৰি আঘাতত
এই বুৰো এই বুৰো অথাই সাগৰত ........

স্বপ্নৰ আসন্ন অপমৃত্যুত
কঁপি উঠিল মোৰ আলসুৱা হৃদয়
অজান ভয়ত ........
দুচকু ভৰি নিগৰি পৰিল
হতাশাৰ তপত চকুলো .........

ঠিক তেতিয়াই
কোনোবাই যেন মোক কাণে কাণে ক'লে-
'সুন্দৰৰ সেনানী তই
অসুন্দৰৰ পৰাজয় যুগে যুগে তোৰ হাতত'....

ঠিক তেতিয়াই
বিদ্যুৎ বেগেৰে আঁতৰিল মোৰ অজান ভয়
প্ৰদীপ্ত এক সূৰ্যৰ কিৰণত
উদ্ভাসিত হ'ল মোৰ মনৰ মণিকোঠা ......

**



# ।। বিমূৰ্ত্ত তোমাৰ ছবি ।।

**শ্ৰীবসন্ত কুমাৰ দত্ত**
*প্ৰাক্তন অধ্যক্ষ (ভাৰপ্ৰাপ্ত)*



নামটোৰ বাহিৰে একোৱে
মনত পৰা নাই
শৰাই সাজি থোৱা নাছিলোঁ
তোমাক আদৰাৰ
ৰাখিছিলোনে বুকুৰ দুৱাৰ খুলি
সেউজী সপোন ঠেলি
তুমি আহিবা বুলি
কোন ফাগুনত কেনেকৈ আহিলা
নেজানিলো
বগুৱা বাইনে দেওদি সুহুৰিয়াই
নেদেখিলোঁ
নিভৃতত বিমূৰ্ত্ত পৰশ
কোঁহে কোঁহে সিঁচি দিলা
অচিনাকি অজিত অহংকাৰ
দাপোণত উজলিল ৰাংঢালী ৰঙিলীৰ
ৰোমাঞ্চৰ ৰহঘৰা আৰু
কাংক্ষিত অভিসাৰ
মনত পেলাব খুজিছো বুকুৰ মাজৰ
অভিনৱ অনুৰাগ
জোনাক অথবা এন্ধাৰত তুমি খেলা
অনিবাৰ্য আতিশয্য



নাই, — এতিয়া নামটোৰ বাহিৰে
একোৱে মনত পৰা নাই
মনত পৰা নাই বিদায়ৰ ক্ষণ
কেতিয়ানো গণিলোঁ
কেতিয়ানো ৰাখিলো সজাই
তামৰঙী সাঁজৰ শৰাই
লুকাই লুকাই গ'লানে ঢপলীয়াই গ'লা
হেলনীয়া দুৱাৰত তাৰ
নেথাকিল কোনো সমিধান
সাঁথৰৰ দৰে আহি সাঁথৰৰ দৰে
ৰাখি গ'লা পাৰিজাত পদূলিত
পাই হেৰুৱাৰ দুৰ্গম
ডাৱৰীয়া বাট।

**

গল্প

# প্ৰতীক্ষা

মিছ নিতুমণি মহন্ত
স্নাতক ১ম বৰ্ষ *(কলা শাখা)*

"বুবুল, ঐ বুবুল, নুঠ কিয় অ'! বজাৰলৈ নাযাব নেকি? আঠ বাজিবৰ হলেই দেখোন। তোক জগোৱাতকৈ কুম্ভকৰ্ণক জগোৱাটোও কিজানি বহুত সহজ বুজিছ। উঠ, সোনকাল কৰ। ইমান দিনৰ মূৰত ল'ৰাজন ঘৰলৈ আহিব, তইঁতৰ যদি অকণমানো কাণ্ডজ্ঞান থাকিলহেঁতেন! এই ঋতু, তই সোনকালে গা ধুগৈ যা। যা যা সোনকাল কৰ। মই গাখীৰ খীৰাও মানে তই চাহৰ পানী বহাই দিবি। ৰুমি তইয়ো উঠ। সি যে তোক কিমান দিনৰ মূৰত দেখা পাব। তোক দেখি সি আচৰিত হৈ যাব জানা।"

আজি জেতুকী পেহীৰ মনত বৰ আনন্দ। অকল পেহীৰেই নে, ঘৰৰ সকলোৰে মনত আজি বি-ৰা-ট আনন্দ। আৰু পেহা! পেহাৰতো কথাই নাই। ৰাতি পুৱাৰে পৰাই পেহাই উখল-মাখল লগাই আছে।

মোৰো মনত আজি বৰ আনন্দ। কিমান দিনৰ মূৰত যে ৰুবুলদাক দেখা পাম। মইইয়ালৈ অহাৰ এসপ্তাহ মান আগতেই ৰুবুলদাৰ চিঠি আহি পাইছিল। সি বোলে এইবাৰ এপষেকমান থকাকৈ আহিব। মই ঘৰলৈ যাব ওলাইছিলো। পিছে ইহঁতে এৰি দিলেহে যাব পাৰি।

ঃ ৰুমি, ঐ ৰুমি ; আহা চাহ খাবা। ই-মা-ন লেহেম নহ'বাচোন। ঋতুৱে প্ৰায় চিঞৰাৰ নিচিনাকৈয়ে ৰুমিক মাতিলে। ৰুমিয়ে চাহ খাবলৈ আৰম্ভ কৰিলে। ইতিমধ্যে বুবুলো আহি চাহৰ টেবুলত বহিল।

ঃ ৰুমি, আচলতে এই ঘৰখনত উপস্থিত থকাবোৰৰ ভিতৰত আটাইতকৈ ভাগ্যৱান কোন জানা ?

ঃ কোন? -- ৰুমিয়ে চাহৰ কাপ হাতত লৈয়েইপ্ৰশ্ন কৰিলে।

ঃ তুমি নিজেই আকৌ। কাৰণ আমাৰ ঘৰবোৰৰ কথা একেবাৰে স্বাভাৱিক। কিন্তু তোমাৰ কথা একদম বেলেগ। তোমাক যে ৰুবুলদাই কিমান দিনৰ মূৰত দেখা পাব। সি খুব ভাল পাব জানা। তুমি জানো ভাল নাপাবা। -- বুবুলে কথা চোবাই গ'ল।

ঃ এই বুবুল, চাহটোপা খাই সোনকালে বজাৰলৈ যা। নহলে ভাল মাছ এটাকে নাপাবি। পেহীয়ে গাখীৰ খীৰাই আহি দৌৰা-দৌৰি লগালে। ইমানবোৰ কাম পৰি আছে। ছেঃ কাৰো দেখিছো অকণো কাণ্ডজ্ঞান নাই।

আজি ঘৰখনৰ প্ৰত্যেকেই এক অনাবিল আনন্দত উদ্বাউল হৈ আছে। হ'বৰেই কথা। কিমান দিনৰ মূৰত যে ৰুবুলদা আহিব বিদেশৰ পৰা। ৰান্ধনী ঘৰত অকণমান সহায় কৰি দিওঁ বুলি ভিতৰলৈ সোমাই গলোঁ। দেখো সকলো পিনে একেই উথপ্‌থপ্। পেহী ইটো-সিটো ৰন্ধাত ব্যস্ত। বিশেষকৈ ৰুবুলদাই ভালপোৱা বস্তু প্ৰায়বিলাকেই পেহীয়ে বনাইছে। পেহীৰ ব্যস্ততা দেখি বহু বছৰৰ পুৰণি কথা কিছুমান আহি মোৰ মনৰ দাপোণত ভিৰ কৰিলেহি।

মই তেতিয়া ক্লাছ ফ'ৰ কি ফাইভত। অলপ অলপ মনত পৰে। প্ৰথমবাৰৰ বাবে জেতুকী পেহীহঁতৰ ঘৰলৈ আহো

মাৰ লগত। প্ৰাথমিক স্কুলত শিক্ষকতা কৰি ঘৰখন চলাবৰ বাবে পেহাই খু-উ-ব কষ্ট কৰিবলগীয়া হৈছিল। খেতি মাটি বুলিবলৈ চপৰা এটাও নাই। পুৱা-গধূলি মোনা লৈ বজাৰলৈ নগলে চৌকাৰ তলত জুই নজ্বলে। তাতে আকৌ ডাঙৰ ল'ৰা ৰুবুলদাক লৈ পেহা-পেহীৰ চিন্তাৰ শেষ নাই। একেবাৰে ধোৱা-খুলীয়া স্বভাৱৰ কাৰণে ৰুবুলদাই পেহা-পেহীৰ মুখৰ ভাল মাত এষাৰো নাপাইছিল। দিনৰ দিনটো টলৌ টলৌকৈ ঘূৰি ফুৰি আড্ডা মৰাই আছিল ৰুবুলদাৰ একমাত্ৰ কাম। অৱশ্যে বুবুলদা আৰু ঋতুবাক লৈ পেহা-পেহীৰ বৰ গৰ্ব।

কিন্তু জুইক জানো ফটা কাপোৰেৰে ঢাকি ৰাখিব পাৰি? প্ৰতিভা জানো লুকাই থাকে? হাইস্কুল শিক্ষান্ত পৰীক্ষাত সেই উদণ্ড ৰুবুলদাই যেতিয়া ষ্টাৰ মাৰ্কসহ উত্তীৰ্ণ হৈছিল তেতিয়া পেহাৰ চকুৰে আনন্দৰ অশ্ৰু নিগৰি আহিছিল। গোটেই ঘৰখনত আনন্দৰ জোৱাৰ আহিছিল। কেৱল সেয়াইনে? গাওঁৰ মানুহবোৰে যেতিয়া ৰুবুলক শুভেচ্ছা জনাবলৈ পেহাৰ ঘৰলৈ আহিছিল তেতিয়া পেহাই মুখেৰে একো কব পৰা নাছিল। আনন্দত বুকু ওফন্দি উঠিছিল আৰু ৰুবুলদাক হিয়াভৰা আশীৰ্বাদ দিছিল। সেই ৰুবুলদা আজি এক প্ৰতিষ্ঠিত ব্যক্তি। মুম্বাই চহৰত এটা বিখ্যাত কোম্পানীত মেনেজিং ডাইৰেক্টৰ হিচাপে জইন কৰাৰ পিছত আজি প্ৰথম ঘৰলৈ আহিব। বাঃ মেনেজিং ডাইৰেক্টৰ!

ঃ ৰুমি, তুমি চাউলখিনি ধুই আনাচোন। ঋতুবাৰ কথাই মোক বাস্তৱ জগতলৈ লৈ আহিল।

ঃ এই ঋতু, কেইটানো বাজিল? সিনো চিঠিত কি লিখিছিল, কিমান সময়ত আহি পাব বুলি লিখিছিল? পেহীৰ মাতত এক উৎকণ্ঠাৰ চিন ফুটি উঠিল। ঋতুবাই একো ক'বলৈ নৌ পাওঁতেই পেহাই মাত লগালে—

ঃ ট্ৰেইন যদি ঠিক সময়ত আহে, তেতিয়াহলে চাৰে এঘাৰ মান বজাত আহি পাবই লাগে।

ট্ৰেইন অহাৰ সময় দেখোন উকলিয়েই গ'ল। সকলোৰে মুখত এক উৎকণ্ঠাৰ ভাব ফুটি উঠিল। সন্মুখৰ বাৰাণ্ডাতে সকলোকেইটা বহি পৰিলোঁ। বুবুলদাটো কেতিয়াবাই ষ্টেচনলৈ গ'ল। ইমান দেৰি লাগেনে এইখিনি আহি পাওঁতে। আমাৰ সকলোৰে চকু নঙলামুখত। যেন এইমাত্ৰ নঙলামুখৰ হেঙাৰ গুচাই সোমাই আহিব ৰুবুলদা, পিছে পিছে বুবুলদা, হাতত ভি আই পি। তাৰ মাজতে আকৌ আমাৰ চিন্তাত বিজুতি ঘটায় মুম্বাইৰ বোমা বিস্ফোৰণৰ ঘটনাটোৱে। বিজ্ঞান-আৰু প্ৰযুক্তিবিদ্যাৰ চৰম সাফল্যই জীৱশ্ৰেষ্ঠ মানুহৰ পাশৱিকতাক নিৰ্লজ্জভাৱে উদঙাই পেলাইছে। কথাবোৰ ভাবি ভাবি বাৰাণ্ডাৰ পৰা গেটলৈ আগবাঢ়ি গ'লো। প্ৰতীক্ষাৰ সময় কিমান কষ্টকৰ তাক মৰ্মে মৰ্মে অনুভৱ কৰিলোঁ।

এনেতে হকাৰজনে দৈনিক কাকতখন দি গ'ল।

ঃ ৰক্ষা তেওঁ! অন্তত কিছুসময় পাৰ হব। পেপাৰখন খুলি লৈছিলোহে মাথোন। প্ৰায় থাপ মাৰি লোৱাৰ নিচিনাকৈ পেহাই পেপাৰখন লৈ গ'ল। হেড্‌লাইনকেইটাত চকুফুৰাই পেহাই হঠাৎ থমকি ৰ'ল।

ঃ মুম্বাইৰ বোমাবিস্ফোৰণত নিহত হোৱা মৃত ব্যক্তিৰ আৰু চাৰিজনক চিনাক্ত কৰা হৈছে। তেওঁলোক হ'ল ঃ ঋষিকেশ পাল (কলিকতা), দৰিন্দৰ সিং (অমৃতসৰ), বিজাং থাপ্পা (মণিপুৰ) আৰু টাটা কোং ৰ মেনেজিং ডাইৰেক্টৰ ৰুবুল চলিহা (অসম)।

মুহূৰ্ততে পেহাৰ মুখৰ ৰং সলনি হৈ গ'ল। হাতৰ কাকতখন অলক্ষিতে সৰি পৰিল। পেপাৰখনে আমাৰ বাবে যে এনে এক ভয়ংকৰ খবৰ কঢ়িয়াই আনিব সেই সুন্দৰ ৰাতিপুৱাটোৱে জানো আমাক সকীয়াই দিছিল ??? ●●

# জীৱন

মিছ বৰ্ণালী দাস
স্নাতক ৰম বৰ্ষ *(কলা শাখা)*

গাঁওখনৰ সোমাজত এটি প্ৰকাণ্ড ঘৰ। বিজুলী বাতিৰ পোহৰে ঘৰটো চকুত লগা কৰি তুলিছে। কিন্তু ঘৰত কোনো মানুহ থকাৰ উমান পোৱা নাযায়। তথাপি সি ঘৰটোৰ পিছৰ ফালেদি অতি সংগোপনে আগবাঢ়িল। হয়তো সি ভাবিছিল যে সি অহা খবৰ গাঁৱৰ কোনেও নাপায়।

ৰত্নেশ্বৰ হাজৰিকা সেই অঞ্চলৰ এজন চহকী লোক। সকলোৱে তেওঁক সমীহ কৰে। পাঁচজন ব্যক্তি লগ লাগি এটি ধনী পৰিয়াল। কামৰ ব্যস্ততাই কাকো নিজৰ ঘৰত থাকিবৰ সুবিধা দিয়া নাই। ডাঙৰ পুতেক অনুপ, ইঞ্জিনিয়াৰ বৰ্তমান চহৰতে থাকে। মাজু পুতেক নিপন বিদেশত থাকে। মুঠতে বিৰাট ব্যস্ততা। সৰু পুতেক জীৱন। আজি চাৰি বছৰৰ মূৰত ঘৰ সোমাইছে; এম. এ. পঢ়িবলৈ ওলাই গৈছিল। পিছে যি গ'ল আৰু গ'ল। তাৰ পিছত একো খবৰ নাছিল। আজি প্ৰথম ওলাইছেহি। তাকো ঘৰৰ পিছৰ দুৱাৰেদি। সি প্ৰথমে তাৰ স্নেহশীলা মাকক মাতিলে।

ঃ মা, অ মা, মা!

ঃ কোন অ', এই পিছ দুৱাৰত।

জীৱনে বুজিলে এয়া তাৰ মাকৰ মাত নহয়। এইটো তাৰ অতি মৰমৰ ভনীয়েক মৌচুমীৰ মাত। তাৰ কোলাতেই নাচি-বাগী ডাঙৰ হোৱা মৌচুমী। দুৱাৰ খুলিয়েই তাই ভয়ত জোৰকৈ চিঞৰি দিছিল। পিছত জীৱনক চিনি পোৱাত তাই আনন্দত তাক সাবটি ধৰি চিঞৰি দিলে ঃ সৰুদা তুমি!

মৌচুমীয়ে ককায়েকক হাতত ধৰি ভিতৰলৈ টানি লৈ গ'ল।

ঃ ভন্টী কেনে আছা? — অতি মৰমেৰে জীৱনে মৌচুমীৰ মুখৰ ফালে চাই থাকিল।

ওলাই আহিব খোজা চকুপানীখিনি জোৰকৈ চেপি ৰাখি মৌচুমীয়ে লাহেকৈ কলে—

ঃ অ' ভালে আছো সৰুদা। কিন্তু তুমি ইমান দিন ক'ত আছিলা সৰুদা। মায়ে তোমাক চাবলৈ!

ঃ মা ক'ত মৌচুমী ?

ঃ আজি এবছৰেই হ'ল। মায়ে আমাক এৰি চিৰদিনলৈ গুচি গ'ল সৰুদা। তাই আৰু ৰ'ব নোৱাৰিলে। জীৱনৰ বুকুতে মুখ গুজি হুকহুকাই কান্দি দিলে।

কথাটো শুনাৰ লগে লগে শিল পৰা কপৌৰ দৰে জীৱন থৰ পৰি ৰ'ল। মাথোন নীৰবে চকুলো বাগৰি আহিল। বহুত যত্ন কৰি নিজকে সংযত কৰিলে আৰু মৌচুমীক মিছা বুজনি দিলে ঃ যি হ'বৰ আছিল সেয়া হৈ গ'ল ভন্টী, এইয়া হয়তো ঈশ্বৰৰে ইচ্ছা। এতিয়া সেইবোৰ পাহৰি যা।

ঃ কোন অ' মাজনী ? বোলো কাৰ লগত কি কথা পাতিছা? নিজৰ কামৰ পৰাই হাজৰিকাই মাত লগালে।

ঃ দেউতা সৰু দাদা আহিছে। সৰু দাদা আহিছে দেউতা। মৌচুমীয়ে জীৱনক দেউতাকৰ ওচৰলৈ লৈ গ'ল।

ঃ জীৱন তই আহিলি? কিন্তু পিছ ফালেৰে আহিলি যে?

ঃ অ' দেউতা, এনেয়ে। কথাষাৰ কৈয়ে সি আঁতৰি গ'ল।

ঃ হৰেন, অ' হৰেন, ক'ত মৰিলি হয়নে? অ' হৰেন। দেউতাকে হৰেনক মাতিলে।

হৰেন সিহঁতৰ ঘৰত থকা বহুত দিন হ'ল। গোটেই কেইটাকে কোলাই-বোকাই লৈ ডাঙৰ কৰিছে এই হৰেনে। সি এই ঘৰখনৰ প্ৰত্যেকটো বস্তুকেই ভালধৰণে চিনি পায়। পৰিৱৰ্তনৰ মাজত সি যেন অপৰিৱৰ্তনশীল। একমাত্ৰ হৰেণেই আছে যিয়ে ইমানখিনি দেখিও ঘৰখন এৰি যাব পৰা নাই।

ঃ কি হ'ল দেউতা? হৰেনে মাত লগালে।

ঃ ক'ত মৰি থাক ঐ? শুন, আজি অলপ ভালকৈ বনাবি, বহুত কেইখন বনাবি।

ঃ কিয় দেউতা, কোনোবা আলহী?

ঃ আলহী নহয় ঘৰৰ ! বুজিছা ......

ঃ কোন আহিব দেউতা?

ঃ আহিব নহয়; আহিছেই, আহিছেই।

ঃ কোন আহিছে দেউতা? বুলি সি হাজৰিকাৰ মুখলৈ ভেবা লাগি চাই থাকিল।

ঃ ভেবা লাগি কি চাইছা। সৰু বাপু আহিছে, সৰু বাপু। সি তাৰ ৰুমতে আছে।

ঃ হৰেনে চিঞৰি চিঞৰি কলে - ঐ ভন্টী আহ, সৰু বাপু আহিছে বুজিছ। সৰু বাপু আহিছে — আহিছে বুলি তাৰ ৰুম পালে আৰু প্ৰশ্ন কৰিলে ঃ সৰু বাপু তই ইমান দিন ক'ত আছিলি?

ঃ মোক সেইবোৰ একো নুশুধিবি হৰেন কাই। আৰু শুন মোক ভাত ইয়াতে দিবি আৰু মই অহা কথা কাকো নকবি।

ঃ হ'ব সৰু বাপু— বুলি হৰেন ৰুমৰ পৰা ওলাই গ'ল। জীৱনে দুৱাৰ বন্ধ কৰি দিলে। হৰেনে দুৱাৰ মুখতেই ৰৈ থাকিল। হৰেনে ভাবিলে হাজৰিকাই পুতেকৰ প্ৰতি কৰা ব্যৱহাৰৰ কথা। টকাৰ কাৰণে মানুহজনে কৰিব নোৱৰা কাম একোৱেই নাই। টকাই মানুহজনক নৰপশু বনালে। ছিঃ, হ'ল বুলি আৰু ইমান নোৱাৰি। যোৱাবেলি আইদেউৰ দৰৱৰ অভাৱত মৃত্যু হ'ল। ডাঙৰ বাপুৰ খবৰেই নাই। তথাপি মানুহজনে নিশিকিলে; এঁকো নুবুজিলে। কেৱল টকা, টকা, টকা।

ভাত খাই জীৱনে দেহটো অলসভাৱে বিছনাত এৰি দিলে। বহুত দিনৰ মূৰত বিছনাত আৰাম কৰিছে। এনেয়ে চকুটো মুদি দিলে। মাকৰ কথা আজি বৰকৈ মনত পৰিছে তাৰ। চকুলো বাগৰি আহি গাৰুটো তিতি গ'ল। হয়তো তাৰ চিলমিলকৈ টোপনি আহিল।

ঃ মোক বচাওক দেউতা, মোক বচাওক।

কাৰোবাৰ আৰ্তস্বৰত জীৱনে খক্‌মক্‌কৈ সাৰ পালে। তেতিয়া পোহৰ হৈছে। জীৱনে মাতটোতে ধৰিব পাৰিলে। সেইজন মোহন।

ঃ কি হ'ল তোৰ, উঠচোন উঠ্।

ঃ মোৰ একো হোৱা নাই দেউতা। মোৰ ল'ৰাটোৰহে। সি দুদিন ধৰি একো খাব পৰা নাই। ডাক্তৰে কৈছে তাৰ বোলে মেলেৰিয়া হৈছে। সোনকালে ঔষধ খুৱাব নোৱাৰিলে ....... সি কান্দি দিলে। কান্দি কান্দিয়েই কলে— মোক অলপ টকা দিয়ক দেউতা।

হাজৰিকা আচৰিত হ'ল, যেন টকা শব্দটো আজিহে প্ৰথম শুনিলে। মোহনে হাজৰিকাৰ মনৰ ভাব বুজিব পাৰিলে।

ঃ মোক এনেয়ে নালাগে দেউতা। মাটি অলপ আছে সেইখিনিকেই

ঃ মাটি বেচি খাবি কি হা ?

ঃ মোৰ ল'ৰাটোক বচাওক দেউতা মোৰ ল'ৰাটোক বচাওক।

ঃ ঠিক আছে তেনেহলে। ইমানকৈ কৈছ যেতিয়া এই পঞ্চাছ টকা লৈ যা।

ঃ ভাল দেউতা, আপুনি ভগৱান, বুলি মোহন বেগাবেগীকৈ যাব ওলাল।

ঃ বহচোন মোহন, মহাজনে অলপ চিন্তা কৰিলে আৰু ভিতৰলৈ চাই মাত লগালে — ঐ হৰেন দুখিলা কাগজ

আৰু কলমটো লৈ আহ।

আচলতে কি জাননে মোহন, এই টকা-পইচাৰ হিচাপবিলাক সদায় পৰিষ্কাৰ হৈ থাকিব লাগে।

ঃ এইয়া লওঁক দেউতা ।

ঃ মোহন, মাৰচোন চহী এটা। ইয়াতে মাৰ। কামবোৰ সময়মতে চিজিল হৈ থকা ভাল বুজিছ।

ঃ চহী কিয় দেউতা। এই টকাখিনি মই দুই-এদিনতে ঘূৰাই দিম।

ঃ দিবি দিবি। কিয় নিদিবি। টকা দিবি কাগজ নিবি। নে কি কৰ। পিছে মই কথাবোৰ সোনকালে পাহৰি যাওঁ সেয়েহে .......। মোহনে ভয় ভয়কৈ চহী কৰিলে। লগে লগে জীৱনৰ ৰুমৰ বন্ধ দুৱাৰখন জোৰকৈ খোল খাই গ'ল আৰু সকলোৰে মুখৰ মাত বন্ধ হৈ গ'ল।

ঃ এইদৰে আৰু কিমানক ঠগিব দেউতা। জীৱন চিঞৰি উঠিল।

ঃ আচলতে ইহঁতৰ কোনো বিশ্বাস নাই অ'। সেয়ে টকা দিছো চহী ৰাখিছো।

ঃ অকল তাতেই শেষ হলেটো কথাই নাছিল। আজি মোহন কাইৰ, কাইলৈ আন কাৰোবাৰ মাটি দখল কৰিবি। এনেকৈয়ে ঘৰখনৰ মান-সন্মান সকলো .......।

ঃ তই মোক মান-সন্মানৰ কথা শিকাইছ । আজি মোৰ টকাৰে এটা ইঞ্জিনিয়াৰ হ'ল। তোক চহৰলৈ পঠালোঁ এম, এ পঢ়িবলৈ। পিছে কি কৰিলি। আজি চাৰি বছৰে খবৰ নাই। মোৰ সমস্ত টকা পানী কৰি ঘূৰি আহিলি আৰু মই এতিয়াও টকা উপাৰ্জন কৰি আছো কিয় ? কাৰ কাৰণে ? মৰিলে লগত লৈ যাবৰ কাৰণে ? একমাত্ৰ তহঁতৰ কাৰণে। হাজৰিকাই ভোৰভোৰাই থাকিল।

উত্মাভৰা কণ্ঠেৰে জীৱনে চিঞৰি উঠিল ঃ পাপৰ ধন মোক নালাগে দেউতা। আজিৰ পৰা এইবোৰ নচলিব।

ঃ হাজৰিকা ঘৰত আছেনে? নঙলামুখৰ পৰাই হেমন্ত মণ্ডলে মাত দিলে।

ঃ এ মণ্ডল দেখোন। আহক আহক ! বহক।

ঃ বুজিছে হাজৰিকা, এহঃ বয়সো হ'ল নহয়। আগৰ দৰে আৰু আহ বুলিলে দৌৰি আহিবও নোৱাৰো যা বুলিলে যাবও নোৱাৰো! কথাষাৰ কৈয়েই মূঢ়াটোত বহি ললে। এনেতে জীৱনক দেখা পাই ––

ঃ অ' জীৱন বোপা দেখোন। কেতিয়ানো আহিলা।

ঃ মই কেতিয়া আহিলোঁ সেইটো আপোনাক কিয় লাগে। উঠক, মণ্ডল চেলাব আহিছে।

ঃ যদি নুঠো কিনো কৰিবা ?

জীৱনে কঁকালৰ খোচনিৰ পৰা এটা ৰিভলভাৰ উলিয়ালে।

ঃ সৰু বাপু তই কি কৰিবলৈ ওলাইছ। হৰেনে জীৱনৰ হাতত থাপ মাৰি ধৰিলে।

ঃ মই ঠিকেই কৰিছো হৰেন কাই। এখন নিকা সমাজ গঢ়িবলৈ যোৱাৰ আগতে আমি আমাৰ ঘৰখন প্ৰথমে নিকা কৰিব লাগিব। আৰু দেউতা, মাত্ৰ তিনিদিন সময় দিলো। তিনিদিনৰ ভিতৰত যিমান চহী কৰা টকা কাগজ আছে পুৰি পেলাব। অন্যথাই বিপ্লৱৰ প্ৰথম কাৰ্য্যসূচী ঘৰৰ পৰাই আৰম্ভ কৰিবলৈ বাধ্য হ'ম।

ঘৰৰ ভিতৰৰ পৰা ভনীয়েক দৌৰি আহি জীৱনৰ হাতত ধৰিলে।

ঃ সৰু দাদা তই এইবোৰ কি .................

ভনীয়েকৰ কথা শেষ হ'বই নাপালে। জীৱনে হাতখন এৰুৱাই মুঠি টান কৰি কৈ উঠিল, মোৰ লক্ষ্য পূৰণত তই বাধা নহবি ।এইয়া মই ওলালোঁ। ●●